# কৃতী শিক্ষকৰ প্ৰভাৱ – এক ৰোমন্থন

একো একোজন কৃতী শিক্ষকে ছাত্ৰ-ছাত্ৰীক আজীৱন প্ৰভাৱিত কৰিব পাৰে। ময়ো বহুতো শিক্ষক আৰু শিক্ষয়িত্ৰীৰ দ্বাৰা প্ৰভাবিত আৰু অনুপ্ৰাণিত হৈছো। মই জীৱনত লগ পোৱা সকলো শিক্ষক যে অত্যন্ত প্ৰভাৱশালী তেনে নহয়। কিন্তু মই সকলোৰে পৰা কিবা নহয় কিবা এটা শিকিবলৈ চেষ্টা কৰিছো। কাৰোবাৰ পৰা বিষয় সম্পৰ্কে, কাৰোবাৰ পৰা জীৱন সম্পৰ্কে, কাৰোবাৰ পৰা নৈতিক শিক্ষা আৰু আন কাৰোবাৰ পৰা পাঠদানৰ শৈলী আদিৰ জ্ঞান লাভ কৰিছো।

মই যোৰহাটৰ দেবীচৰণ বৰুৱা ছোৱালী হাইস্কুলত পঢ়িছিলো। তাত আমি পঢ়ি থকা সময়ত শিক্ষক মাত্ৰ তিনিজনহে আছিল – বাকী সকলো শিক্ষয়িত্ৰী আছিল। সকলোৱে নিষ্ঠাৰে পাঠদান কৰিছিল যদিও কেইগৰাকীমানৰ প্ৰভাৱ জীৱনজুৰি অনুভৱ কৰি আহিছো। সেইসকলৰ এক নম্বৰৰ স্থানত আছে প্ৰয়াত হৰেণ ভৰালী চাৰ। আমি সপ্তমমান শ্ৰেণীত থাকোতে তেখেত আমাৰ স্কুলৰ শিক্ষক হিচাবে জইন্ কৰিছিলে। মই অংকত বৰ দূৰ্বল আছিলো বাবে বৰ ভয় কৰিছিলো। কিন্তু আমাক ভৰালী চাৰে অংক শিকাবলৈ লোৱাৰ পৰা এই বিষয়ত যথেষ্ট ৰাপ অনুভৱ কৰিছিলো। আমাৰ দিনত নৱম মানত ছোৱালীৰ বাবে গণিতৰ বিকল্প হিচাবে গাৰ্হস্থ্য বিজ্ঞান পঢ়াৰ ব্যৱস্থা আছিল। এলজেব্ৰা আৰু জ্যামিতি বেছ ভাল পাইছিলো যদিও অংকৰ বুনিয়াদ নিচেই দূৰ্বল হোৱাৰ বাবে ভৰালী চাৰে বাৰে বাৰে কোৱা স্বত্বেও গণিত ল’বলৈ সাহস নহ’ল। ফলস্বৰূপে মই বিজ্ঞান বিষয়টো যথেষ্ট ভাল পাইছিলো যদিও কলেজত বিজ্ঞান পঢ়িব নোৱাৰিলো। সেই সময়ত মই এক মনোৰোগ বিশেষজ্ঞ হোৱাৰ সপোন দেখিছিলো। আৰু আজি জীৱনৰ এই প্ৰান্তত উপনিত হৈ উপলব্ধি কৰোঁ যে psychiatry বিষয়টো যিদৰে মোৰ বাবে অতি মনোগ্ৰাহী ঠিক সেইদৰেই ময়ো নিশ্চয় psychiatrist হোৱাৰ উপযোগী। সেয়ে সদায়েই মোৰ মনলৈ এই ভাৱ আহে যে ভৰালী চাৰ আমাৰ স্কুললৈ আৰু এবছৰ আগতে অহা হ’লে মই নিশ্চয় এক ভাল psychiatrist হ’লোহেতেন। অৱশ্যে এই কথাও ঠিক যে আমাৰ দেউতায়ে ইমান টকা খৰছ কৰি ছোৱালীক কেতিয়াও ডাক্তৰী নপঢ়ুৱালেহেতেন।

দেউতাকৰ অকালতে মৃত্যু হোৱাত ভৰালী চাৰে ঘৰ চলোৱাৰ দায়িত্ব লবলগীয়া হোৱাত বি.এছ.ছি পঢ়ি থাকোতেই কামত সোমাইছিল। চাৰে কামৰ পৰা ছুটী লৈ বি.এছ.ছি পৰীক্ষা দিয়াৰ কথা এতিয়াও মনত আছে। প্ৰশিক্ষণ নোহোৱাকৈ ইমান কম বয়সতে চাৰে গণিত আৰু বিজ্ঞানৰ দৰে কঠিন বিষয় ইমান নিৰহ নিপানিকৈ কেনেকৈ বুজাব পাৰিছিল ভাবিলে আচৰিত লাগে। ভৰালী চাৰৰ কথা কেতিয়াবা কাচিৎহে মনত নপৰাকৈ থাকে। লিখিম বুলি সদায় ভাবি থকা

থাকোতে লিখা নহ'ল। যোৰহাটলৈ যাওতে তেখেতক দেখা কৰাৰ কথা বহুতবাৰ ভাবিছিলো যদিও যোৱা নহ'ল। তেখেতৰ মৃত্যুৰ খবৰ পোৱাৰ দিনা মই বৰ দোষী অনুভৱ কৰিছিলো।

ভানু বৰুৱা বাইদেৱে সুন্দৰকৈ ব্যাখ্যা কৰি দিয়া এষাৰ কথাই মোৰ মনত গভীৰ সাঁচ বহুৱাইছিল। আমাৰ কোনোবা এটা পাঠত গান্ধীজীয়ে কোৱা 'service to man is service to god' কথাষাৰ বাইদেৱে আমাক সপ্তম কি অষ্টম শ্ৰেণীত থাকোতে ইমান সুন্দৰকৈ বুজাই দিছিল যে মই তাৰ সম্পূৰ্ণ হৃদয়াংগম কৰি মোৰ জীৱন দৰ্শন হিচাবে গ্ৰহণ কৰিছিলো। এই কথাষাৰ মই যদি মাত্ৰ কৰবাত পঢ়িলোহেতেন তেনেহ'লে নিশ্চয় এইদৰে হৃদয়ংগম নহ'লহেতেন।

আমাৰ স্কুলৰ সকলোবোৰ বাইদেউৰ কথা মনত আছে যদিও স্থানাভাৱত সকলোৰে বিষয়ে লিখা সম্ভৱ নহয়। তাৰ মাজতে দুগৰাকী বাইদেউৰ কথা লিখিবই লাগিব। জুৱেল বাইদেৱে আমাক ইংৰাজী পঢ়াইছিল আৰু আন দুই একৰ লগতে মোকো বৰ মৰম কৰিছিল। আমি কলেজত পঢ়ি থাকোতে জুৱেল বাইদেউৰ বিয়া হৈছিল। মই আৰু বান্ধবী নন্দা তেখেতৰ বিয়া খাবলৈ গৈছিলো। বাইদেৱে বহুতৰ লগত চিনাকী কৰি দি কৈছিল, "এই দুজনী মোৰ বৰ মৰমৰ ছাত্ৰী। মই বিয়ালৈ আগৰ ছাত্ৰী কেৱল এওঁলোক দুজনীকহে মাতিছো।" আমি বৰ গৌৰৱ বোধ কৰিছিলো।

আমাক আন এগৰাকী বাইদেৱে ইংৰাজী পঢ়াইছিল। তেখেতৰ ভাল নাম চন্দ্ৰপ্ৰভা দেৱী যদিও সকলোৱে তেখেতক অমিয়া বাইদেউ নামেৰেই জানিছিল। তেখেত মোৰ নিজৰো বাইদেউ (জেঠাইৰ ছোৱালী)। সেই সময়ত ভিনীহিদেউ স্বৰ্গীয় ভোলানাথ শৰ্মা ডিষ্ট্ৰিক্ট এণ্ড ছেছনেছ জাজ হৈ যোৰহাটত আছিল। অমিয়া বাইদেউ স্থায়ী শিক্ষয়িত্ৰী নাছিল যদিও ছাত্ৰীসকলৰ মনত এক স্থায়ী স্থান দখল কৰিবলৈ সক্ষম হৈছিল। ইংৰাজী শুদ্ধকৈ লিখাৰ কৌশল আমি অমিয়া বাইদেউৰ পৰাই শিকিছিলো। অমিয়া বাইদেউ মোৰ আপোন হয় বুলি জানে বাবে মোৰ কলিকতাত থকা বন্ধবী নন্দায়ে প্ৰায়ে অমিয়া বাইদেউৰ খবৰ লয়। মই যোৱামাহত অসমলৈ যাওঁতে গুৱাহাটীত অমিয়া বাইদেউক দেখা কৰিবলৈ গৈছিলো। তেতিয়াই নন্দাক ফোনেৰে অমিয়া বাইদেউৰ লগত যোগাযোগ কৰাই দিছিলো।

অমিয়া বাইদেউ এক বিদুষী আৰু আদৰ্শ মহিলা। বিয়াৰ পিছত এখন ভৰা সংসাৰৰ সকলো দায়িত্ব নিজহাতে চম্ভালিও মেট্ৰিক, আই.এ, বি.এ আদি পাছ কৰিছিল। অৱশ্যে ভিনীহিদেৱে উৎসাহ দিয়াৰ লগতে সমৰ্থনৰ হাতো আগবঢ়াইছিল। তেখেতে লিখা কিতাপ 'সোঁতৰ বিপৰীতে', 'শিশুৰ প্ৰতিপালন' আৰু 'ড্ৰেগন চিড' (অনুবাদ) যোৱাবাৰ মোক উপহাৰ দিছিল। তেখেতে আৰু কেইবাখনো কিতাপ লিখি আছে।

মই যোৰহাটৰ দেৱীচৰণ বৰুৱা ছোৱালী কলেজৰ পৰা ইংৰাজীত অনাৰ্চ লৈ বি.এ পাছ কৰিছিলো। তাত পঢ়ি থকা কালচোৱাত প্ৰায় সকলো অধ্যাপক অধ্যাপিকাৰে মৰম স্নেহ লাভ

কৰিবলৈ সক্ষম হৈছিলো। প্ৰায় সকলোবোৰেই নিষ্ঠাৰে পাঠদান কৰিছিল। নগেন শইকীয়া চাৰৰ ক্লাছ আমি কেতিয়াও খ'তি নকৰিছিলো। মই বিশেষভাবে প্ৰভাৱিত হৈছিলো স্বৰ্গীয় দুলাল খাউণ্ড চাৰৰ দ্বাৰা। তেখেতৰ শিক্ষা কেৱল শ্ৰেণীকক্ষতে সীমিত নাছিল। তেখেতৰ আচল শিক্ষালাভ কৰিছিলো শ্ৰেণীকক্ষৰ বাহিৰতহে। তেখেত এজন ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ নেতা আছিল আৰু আমি কেতবোৰ ছাত্ৰীয়ে সাম্যবাদ, সমাজনীতি, ৰাজনীতি, অৰ্থনীতি আদিৰ প্ৰাথমিক শিক্ষা তেখেতৰ পৰাই লাভ কৰিছিলো। তেখেতৰ প্ৰভাৱতে বহুতো কথাত মোৰ দৃষ্টিভংগীত পৰিবৰ্তন ঘটিছিল আৰু কলেজত পঢ়ি থকা কালত সঁচাকৈয়ে বিশ্বাস কৰিছিলো যে সমাজলৈ আমূল পৰিবৰ্তন আনিব পাৰিম।

সেই দেৱীচৰণ বৰুৱা কলেজতে এনে এজন অধ্যাপকো আছিল যি ক্লাছলৈ কেতিয়াবা কাচিৎহে আহিছিল। গোটেই বছৰটোত হয়তো মাত্ৰ ৪/৫ ঘণ্টাহে পাঠদান কৰিছিল। আমি বোধকৰো দ্বিতীয় বাৰ্ষিকত থাকোতে সপ্তাহত এদিন পুৱা ৯ বজাত তেখেতৰ এটা অনাৰ্চৰ ক্লাছ আছিল। মোৰ এতিয়াও স্পষ্ট মনত আছে ঠাণ্ডা কালি পুৱা সুদাই নিকাই এমুঠি খাই কুঁৱলিৰে নেদেখা হৈ থকা আলিবাটেৰে প্ৰায় দৌৰি যোৱাদি গৈ তেখেতৰ ক্লাছৰ বাবে ৰৈ থাকো – কিন্তু তেখেতৰ দেখাদেখি নহয়। কেতিয়াবা কিছু পৰা পিছত তেখেতক স্কুটাৰেৰে ক'ৰবালৈ যোৱা দেখো – ৰাষ্টাৰ ওচৰতে ঠিয় হৈ থকা আমাৰ ফালে কিন্তু এবাৰো ঘুৰিও নাচায়। এনেদৰে বহুতদিন বাট চোৱাৰ পিছত ধৈৰ্য্যৰ বান্ধ হেৰুৱাই তেখেতৰ ওচৰলৈ গৈ তেখেতে অসমীয়া জানিছিল যদিও ইংৰাজীতে ক'লো, “চাৰ, আপুনি ক্লাছলৈ আহিব নোৱাৰে যদি অনুগ্ৰহ কৰি আমাক আগতেই খবৰ দিয়ে যেন।” মোৰ কথা কেইটাত কোনো ত্ৰুটি নাছিল যদিও সুৰটো নিশ্চয় মোলায়েম নাছিল। গতিকে চাৰৰ বৰ খং উঠিল আৰু মোক বহুতো গালি গালাজ কৰাৰ উপৰিও অধ্যক্ষ অভয়পদ ভট্টাচাৰ্য্যৰ ওচৰত অভিযোগ কৰিলে। অধ্যক্ষই মোক মতাই পঠাই কি হ'ল সোধাত মই সকলো কোৱাৰ পিছত সেই অধ্যাপকজনৰ ওচৰত ক্ষমা বিচাৰিবলৈ ক'লে। মই কেতিয়াও ক্ষমা খুজিবলৈ নাযাও। মোৰ এতিয়াও ভাবিলে আচৰিত লাগে আমি ইমান ভয় কৰা সেই অধ্যক্ষজনৰ লগত সেইদিনা ইমান তৰ্ক কৰিবলৈ ক'ত সাহস পাইছিলো। তেখেতে মোক কোনোমতে প্ৰত্যয় নিয়াব নোৱাৰিলে। তথাপি হঠাতে মোৰ মুখৰ পৰা ওলালে, “আপুনি মোক অধ্যক্ষ হিচাবে যি শাস্তি দিব খোজে দিব পাৰে কিন্তু মই কেতিয়াও তেখেতৰ ওচৰলৈ গৈ ক্ষমা নিবিচাৰো।” সেই কথা শুনি তেখেতে ক্ষন্তেক ৰৈ মোৰ ফালে চাই মিচিকিয়াই হাঁহি অতি শান্ত সুৰত ক'লে, “ঠিক আছে তেনেহ'লে সেয়ে হ'ব – মই তোমাক অধ্যক্ষ হিচাবে কৈছো – তেওঁৰ ওচৰলৈ গৈ ক্ষমা বিচাৰাগৈ।” তেখেতৰ অ-গতানুগতিক আচৰণত আচৰিত হৈ আৰু মোৰ নিজৰ কথাতে বান্ধ খাই মই সেই মুহূৰ্তত মান্তি হ'লো। কিন্তু মই বৰ চিন্তাত পৰিলো ; মনতে ভাবিলো দিনৰ পিছত দিন ক্লাছলৈ নাহি দোষ কৰিব কোনোবাই আৰু তাৰ বাবে ক্ষমা খুজিম মই –

সেইটো হ’বই নোৱাৰে। সেইদিনা বহুত ৰাতিলৈকে চিন্তা কৰাৰ পিছত এটা উপায় বিচাৰি পালো। পিছদিনা কলেজলৈ যাওঁতে বাটতে পোৱা তেখেতৰ ঘৰৰ সন্মুখত স্কুটাৰখন দেখি সোমাই গ’লো। তেখেতক দেখাৰ লগে লগে ক’লো, “The principal has asked me to apologize. So I have come।” কিন্তু মোৰ জেদটো ৰাখি ‘ক্ষমা কৰক’ বুলি নকলো। তেখেতেও হাঁহি এটা মাৰি Ok বুলি পঠাই দিলে।

কিন্তু তেখেতৰ পৰাও এটা কথা শিকিছিলো আৰু যিটো আজি পৰ্যন্ত মানি চলিছো। মই কিবা কাৰণত ক্লাছলৈ যাব নোৱাৰিলে আগতিয়াকৈ ছাত্ৰ-ছাত্ৰীক খবৰ দিও কাৰণ মই কেতিয়াও নিবিচাৰো যে মোৰ ছাত্ৰ-ছাত্ৰী মোৰ বাবে সেইদৰে বোন্দাপৰ দি থাকক।

তেখেতৰ নামটো উল্লেখ কৰিবলৈ মোৰ ইচ্ছা নাই যদিও তেখেত কোন হ’ব পাৰে এটাও ইঙ্গিত নিদিলে ইংৰাজী বিভাগৰ বাকী অধ্যাপকসকলৰ প্ৰতি অন্যায় কৰা হ’ব – কাৰণ আন কাৰোবাক সন্দেহ কৰাৰ থল থাকিব। ত্ৰিপাঠি চাৰ, অধ্যক্ষ ভট্টাচাৰ্য্য চাৰে অতি ভাল পঢ়াইছিল। প্ৰফুল্ল ৰাজগুৰু চাৰ নিঃসন্দেহে অতি নিষ্ঠাৱান শিক্ষক আছিল। তেখেতসকলৰ কোনেও কেতিয়াও এটা ক্লাছো খ’তি কৰাৰ কথা মনত নাই।

মই গুৱাহাটী বিশ্ববিদ্যালয়ত ইংৰাজীত এম.এ পঢ়িছিলো। তাত কবি হীৰেন দত্তকে ধৰি কেইবাজনো কৃতী শিক্ষকে পঢ়াইছিলে। মই বিশেষভাবে প্ৰভাৱিত হৈছিল ড. অমৰেশ দত্ত চাৰৰ দ্বাৰা। তেখেতৰ বিষয়ে আগতে শুনা নানান কথাৰ ভিত্তিত কল্পনা কৰিছিলো যে তেখেত এজন চাহাবী আদৱ কায়দাৰ মানুহ হ’ব কিন্তু ধুতি পাঞ্জাবী পিন্ধা সম্পূৰ্ণ ভাৰতীয় আদৱ কায়দাৰ মানুহজন দেখি প্ৰথমতে বৰ আচৰিত হৈছিলো। চাৰে অসমীয়া বৰ সুন্দৰকৈ জনা স্বত্ত্বেও আৰু সকলোৰে লগত অসমীয়াতে কথা পাতিলেও ছাত্ৰ-ছাত্ৰীৰ লগত সদায় ইংৰাজীতহে কথা পাতিছিল – আমাৰ যাতে ইংৰাজী কথা কোৱাৰ অভ্যাস হয় তাৰ বাবেই বোধকৰো। চাৰে পাঠ্যপুথিৰ লগত সম্পৰ্ক ৰাখি সমাজ, দৰ্শন, প্ৰকৃতি আৰু মানৱজীৱন সম্পৰ্কে কোৱা কথাবোৰে জ্ঞান বৃদ্ধি কৰাৰ লগতে মোৰ এক নিজস্ব দৃষ্টিভংগী গঠন হোৱাত সহায় কৰিছিল। ইমান বছৰৰ জ্ঞান অৰ্জন, অভিজ্ঞতা আদিৰ বলত মোৰ যি নিজস্ব world view গঢ় লৈ উঠিছে তাত অমৰেশ দত্ত চাৰৰো বহুত প্ৰভাৱ আছে। ১৯৭৩ চনত গুৱাহাটী বিশ্ববিদ্যালয় এৰাৰ পিছত চাৰক কেতিয়াও লগ পোৱা নাই। অহাবাৰ অসমলৈ গ’লে মই যেনেতেনে ডিব্ৰুগড়লৈ গৈ তেখেতক দেখা কৰিম।

এতিয়া আহোঁ এনে এজন আদৰ্শ শিক্ষকৰ কথা লিখিবলৈ যাৰ প্ৰভাৱ মোৰ জীৱনত প্ৰায় প্ৰতিদিনে অনুভৱ কৰোঁ। তেখেতৰ নাম হৈছে ড. ৰমাকান্ত অগ্নিহোত্ৰী। মই দিল্লী বিশ্ববিদ্যালয়ৰ পৰা ভাষাবিজ্ঞানত এম.এ পাছ কৰিছিলো। তাত আমাৰ বিভাগৰ প্ৰায় প্ৰত্যেকজন প্ৰফেচৰেই আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত। প্ৰত্যেকেই বেছ ভাল পঢ়োৱাৰ লগতে নানান ধৰণেৰে আমাৰ জ্ঞানৰ ভৰাল চহকী কৰিছিল। তাত থকা কালছোৱাত মোৰ সকলোৰে লগত ভাল সম্পৰ্ক গঢ়ি

উঠিছিল আৰু এতিয়াও তেখেতসকলৰ লগত সেই সম্পৰ্ক অটুট আছে। নানান শিক্ষাগত কামত তেখেতসকল মাইচুৰলৈ আহিলে মোৰ খবৰ লয় আৰু আমাৰ ঘৰত ভাতপানী খাই যায়।

সকলোৰে পৰা নানান ধৰণেৰে উপকৃত হ'লেও এটা কথা অৰ্থাৎ সফল শিক্ষাদানৰ মূলমন্ত্ৰ শিকিছিলো ৰমাকান্ত অগ্নিহোত্ৰী চাৰৰ পৰা। ছাত্ৰ-ছাত্ৰীক কোনোদিন খং ৰাগ নকৰাকৈ, ব্যংগ বা তুচ্ছ জ্ঞান নকৰাকৈ বৰঞ্চ বন্ধুৰ দৰে সমজ্ঞান কৰিও কিদৰে শ্ৰদ্ধাভাজন হ'ব পাৰি সেইকথা তেখেতৰ পৰাই শিকিছিলো। সেইদৰেও যে ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণ নিয়ন্ত্ৰণত ৰাখিব পাৰি সেইকথা প্ৰথম অনুভৱ কৰিছিলো তেখেতৰ ক্লাছত। চাৰে ক্লাছৰ শেষত প্ৰায়েই আমাক চাহ খাবলৈ লৈ গৈছিল আৰু তেতিয়া আমি নানান ধৰণৰ কথা বতৰা পাতি চাৰৰ আৰু ওচৰ চাপিছিলো আৰু আমাৰ মনৰ পৰা ভয় ভাৱ নোহোৱা হৈছিল। চেমিনাৰ আদিৰ কথা ভাবিলে মোৰ আগতে পেটতে হাত ভৰি লুকাইছিল। কিন্তু তেখেতৰ ক্লাছত প্ৰথম চেমিনাৰ পেপাৰ পাঠ কৰোঁতে মোৰ অলপো ভয় বা সংকোচৰ ভাৱ হোৱা নাছিল। আচলতে তেখেতৰ উৎসাহ বাবেই মই এখন উন্নত মানদণ্ডৰ পেপাৰ প্ৰস্তুত কৰি অলপো নাৰ্ভাছ নোহোৱাকৈ পাঠ কৰিব পাৰিছিলো। তাৰ পিছৰ পৰাই মোৰ আত্মবিশ্বাস ক্ৰমাৎ বাঢ়িছিল। পাঠদানৰ সময়ত ছাত্ৰ-ছাত্ৰীসকল যে সক্ৰিয় অংশ গ্ৰহণকাৰী – নিষ্ক্ৰিয় শিকাৰু নহয় সেই কথাত বিশ্বাস কৰা বাবে চাৰে সদায় সকলো আলোচনাতে আমাক সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছিল। কেতিয়াবা আমি অত্যন্ত ভুলকৈ কিবা এটা ক'লেও চাৰে একেকোবে সেইটো ভুল বুলি কৈ কেতিয়াও আমাক অপ্ৰস্তুত নকৰিছিল। বৰঞ্চ "May be you are right", "May be you are in the right track" বুলি কথাটো এনে ধৰণেৰে বুজাই দিয়ে যে কিছু পিছতে গম পাওঁ আমি কোৱা কথাটো কিয় শুদ্ধ নহয়। আজিকালি National Curriculum Framework ত শিক্ষাদানৰ যিবোৰ মূলমন্ত্ৰৰ কথা আলোচনা কৰা হৈছে অগ্নিহোত্ৰী চাৰে ৮০ৰ দশকৰ আৰম্ভনিতে সেইবোৰ আমাৰ ক্লাছত প্ৰয়োগ কৰিছিলে। পাঠদানৰ সমস্ত প্ৰক্ৰিয়াটোত তেখেতে ভাল বেয়া সকলো ছাত্ৰ-ছাত্ৰীকে সমানে গুৰুত্ব দি অন্তৰ্ভুক্ত কৰি লৈছিল। আমাৰ প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীয়ে কোৱা এষাৰ কথা 'সবকা সাথ, সবকা বিকাশ' ৰ তাৎপৰ্য্য আমি তেখেতৰ ক্লাছত তেতিয়াই বুজি পাইছিলো।

তেখেতে প্ৰয়োগ কৰা পাঠদানৰ কৌশল আৰু নীতি মই সদায় মানি আহিছো আৰু তাৰ বাবেই আজি এক সফল শিক্ষয়িত্ৰী হিচাবে অভিহিত হৈছো। গতিকে মোৰ এই সফলতাৰ আঁৰৰ মানুহজন হৈছে দিল্লী বিশ্ববিদ্যালয়ৰ ভাষাবিজ্ঞান বিভাগৰ প্ৰাক্তন প্ৰফেচৰ আৰু মুৰব্বী ড. ৰমাকান্ত অগ্নিহোত্ৰী। আজি শিক্ষক দিৱসৰ দিনা তেখেতলৈ নতশিৰে কৃতজ্ঞতাৰ প্ৰণাম জনাইছো।

আজিৰ পবিত্ৰ দিনত মোক গঢ়ি তোলা সকলো শিক্ষক শিক্ষয়িত্ৰীৰ কথা শ্ৰদ্ধাৰে সোঁৱৰিছো।